জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৪/২০২১

# বি টি আৰ অঞ্চলত অৰুণোদয় আৰু নৱ-ৰূপত স্বয়ম আঁচনি ৰূপায়ণৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৮ মে' ঃ** বি টি আৰ অঞ্চলত 'অৰুণোদয়' আৰু 'নৱ-ৰূপত স্বয়ম' আঁচনি দুখনৰ ৰূপায়ণৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যৰে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বৰ শৰ্মাৰ পৌৰোহিত্যত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত আঁচনি দুখনৰ সফল ৰূপায়ণৰ বিভিন্ন দিশ বিতং ভাবে পৰ্যালোচনা কৰা হয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে আঁচনি দুখনৰ সফল ৰূপায়ণৰ বাবে দ্ৰুততাৰে পদক্ষেপ গ্ৰহণ কৰিবলৈ কোকৰাঝাৰ, চিৰাং, বাক্সা আৰু ওদালগুৰি জিলাৰ উপায়ুক্তক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জিলাৰ হিতাধিকাৰীৰ তালিকা শীঘ্ৰে চূড়ান্ত কৰিবলৈ চাৰিওখন জিলাৰে উপায়ুক্তক নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত অঞ্চলটোৰ জনপ্ৰতিনিধিসকলৰ লগত আলোচনা কৰি প্ৰকৃত হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে 'অৰুণোদয়' আঁচনি ৰূপায়ণৰ কাম অহা মাহৰ পৰা আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে এই আঁচনিখনৰ জৰিয়তে অৰ্থনৈতিকভাৱে দুৰ্বল পৰিয়ালৰ মহিলাক সৱলীকৰণ কৰিব বিচৰা হৈছে। প্ৰতিটো পৰিয়ালৰ মহিলাগৰাকীয়ে প্ৰতিমাহে প্ৰত্যক্ষ হস্তান্তৰৰ জৰিয়তে ৮৩০ টকা এই আঁচনিৰ জৰিয়তে লাভ কৰিব। এই আঁচনিখন ২০২০ চনৰ ২ ডিচেম্বৰত আনুষ্ঠানিক ভাবে শুভাৰম্ভ কৰা হৈছিল যদিও বিটিচিৰ নিৰ্বাচনৰ বাবে অঞ্চলটোত আঁচনিখন ৰূপায়ণ কৰা হোৱা নাছিল।

আনহাতে আজিৰ এই বৈঠকতে 'নৱ-ৰূপত স্বয়ম' আঁচনিখন ৰূপায়ণৰ বিভিন্ন দিশ আলোচনা কৰা হয়। বি টি আৰ এলেকাত এই আঁচনিখন অহা জুন মাহৰ ভিতৰত ৰূপায়ণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। উল্লেখ্য যে এই আঁচনিখনৰ জৰিয়তে ব্যক্তিগত তথা সামূহিক গোটক নতুন ব্যৱসায় অথবা ব্যৱসায় সম্প্ৰসাৰিত কৰাৰ বাবে আৰ্থিক সহযোগিতা আগবঢ়োৱা হয়। কৃষি আৰু আনুষংগিক খণ্ড, গ্ৰাম্য উদ্যোগ, গ্ৰাম্য শিল্পক শক্তিশালীকৰণৰ বাবে এই আঁচনিখন ইতিমধ্যে শুভাৰম্ভ কৰা হৈছে।

বৈঠকত চাৰিওখন জিলাৰ উপায়ুক্ত কেইগৰাকীয়ে হিতাধিকাৰীৰ পৰিসংখ্যা, আঁচনি দুখনৰ সাম্প্ৰতিক স্থিতি ইত্যাদিৰ সবিশেষ মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ এই বৈঠকত গুৱাহাটী উন্নয়ন, নগৰ উন্নয়ন ইত্যাদি বিভাগৰ মন্ত্ৰী অশোক সিংঘাল, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, সাংসদ দিলীপ শইকীয়া, বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্তমল্ল বৰুৱা, বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, বিধায়ক, বিটিআৰৰ কাৰ্যবাহী সদস্য, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ সিনহা, কোকৰাঝাৰ, চিৰাং, বাক্সা আৰু ওদালগুৰি জিলাৰ উপায়ুক্ত আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ / বঃভাঃ**
**২৮/০৫/২০২১**